**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 30-11-2025
**Time :** 18-45 Hrs

**ASSAMESE EVEN BULLETIN**

:::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

১। সংসদৰ শীতকালীন অধিৱেশন কাইলৈ আৰম্ভ। অধিবেশনৰ পূৰ্বে আজি প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙৰ অধ্যক্ষতাত সৰ্বদলীয় বৈঠক অনুষ্ঠিত।

২। দেশৰ বিভিন্ন খণ্ডত শেহতীয়া বিকাশে নতুন চিন্তাৰ উন্মেষ আৰু যুৱ শক্তিক উদ্ভাসিত কৰি তুলিছে বুলি প্ৰধানমন্ত্ৰীৰ মন কী বাতত প্ৰকাশ।

৩। জননেতা ভীমবৰ দেউৰীৰ স্মৃতি দিৱস উপলক্ষে আজি সাংস্কৃতিক সঞ্চালকালয়ৰ উদ্যোগত ডিব্ৰুগড়ত বিশেষ অনুষ্ঠান।

৪। ছটা জনগোষ্ঠীৰ জনজাতিকৰণ সন্দৰ্ভত মন্ত্ৰীগোটে প্ৰতিবেদন দাখিল কৰাৰ পিছতে বিভিন্ন জনজাতীয় দলসংগঠনৰ প্ৰতিক্ৰিয়া প্ৰকাশ। ***আৰু***

৫। ৰাঁচীত অনুষ্ঠিত ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজৰ প্ৰথমখন এদিনীয়াত ভাৰতৰ দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে ৩৫০ ৰাণৰ বিজয় লক্ষ্য নিৰ্ধাৰণ।

oooooo

সংসদৰ শীতকালীন অধিৱেশন কাইলৈ আৰম্ভ হ'ব। অধিবেশনৰ পূৰ্বে আজি সংসদ ভৱনত এখন সৰ্বদলীয় বৈঠক অনুষ্ঠিত হয়। প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙৰ অধ্যক্ষতাত অনুষ্ঠিত এই বৈঠকত ৩৬টা ৰাজনৈতিক দলৰ ৫০জন নেতাই অংশগ্ৰহণ কৰে। বৈঠকৰ অন্তত সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেণ ৰিজিজুৱে কয় যে ইতিবাচক পৰিবেশত এই বৈঠক অনুষ্ঠিত হয় আৰু চৰকাৰে সংসদৰ শীতকালীন অধিবেশন নিয়াৰিকৈ পৰিচালনাৰ বাবে সকলো ৰাজনৈতিক দলৰ নেতাকে সহযোগিতা আগবঢ়াবলৈ আহ্বান জনায়। এইবাৰৰ অধিবেশনত যিকোনো গুৰুত্বপূৰ্ণ বিষয় আলোচনা কৰিবলৈ চৰকাৰ সাজু আছে বুলি শ্ৰীৰিজিজুৱে উল্লেখ কৰে। অন্যান্য ৰাজনৈতিক দলৰ নেতাসকলেও অধিবেশনত উত্থাপন কৰিবলগীয়া বিষয় সন্দৰ্ভত তেওঁলোকৰ মত ব্যক্ত কৰে আৰু চৰকাৰক এই ক্ষেত্ৰত পূৰ্ণ সহযোগিতা আগবঢ়োৱাৰ আশ্বাস দিয়ে। আজিৰ বৈঠকত ৰাজ্যসভাৰ সদনৰ নেতা জে পি নাড্ডা, কেন্দ্ৰীয় সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেণ ৰিজিজু, সংসদীয় পৰিক্ৰমা দপ্তৰৰ ৰাজ্যমন্ত্ৰীদ্বয় অৰ্জুন ৰাম মেঘৱাল আৰু ড০ এল মুৰুগান উপস্থিত থাকে। কংগ্ৰেছৰ নেতা গৌৰৱ গগৈ, ডি এম কেৰ নেতা তিৰুচি শিৱা, টি এম চিৰ নেতা ডেৰেক অ' ব্ৰায়েন,

সমাজবাদী পাৰ্টীৰ নেতা ৰাম গোপাল যাদৱ, জে ডি ইউৰ নেতা সঞ্জয় ঝা, টি ডি পিৰ নেতা লাবু শ্ৰীকৃষ্ণ দেৱাৰায়ালু আৰু শিৱসেনাৰ নেতা নৰেশ মাস্কে এই বৈঠকত অংশগ্ৰহণ কৰে।

উল্লেখযোগ্য যে, সংসদৰ শীতকালীন অধিবেশন কাইলৈ আৰম্ভ হ'ব আৰু ১৯ ডিচেম্বৰত সামৰণি পৰিব। অধিবেশনৰ সময়ছোৱাত ১৫খন বৈঠক অনুষ্ঠিত হ'ব।

০০০০০০

দেশৰ বিভিন্ন খণ্ডত শেহতীয়া বিকাশে নতুন চিন্তাৰ উদ্ভাৱন আৰু যুৱ শক্তিক উদ্ভাসিত কৰি তুলিছে বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আকাশবাণীৰ মন কী বাত অনুষ্ঠানত প্ৰকাশ কৰিছে। তেওঁ এই ক্ষেত্ৰত হায়দৰাবাদত নতুনকৈ উন্মোচন কৰা বিশ্বৰ সৰ্ববৃহৎ লিপ ইঞ্জিন এম আৰ অ'ৰ ব্যৱস্থা, ভাৰতীয় নৌসেনাত আই এন এছ্ মাহেৰ অন্তৰ্ভুক্তি আৰু দেশত স্কাইৰুটৰ ইনফিনিটি চৌহদ মুকলি কৰাৰ দৰে বিষয়সমূহৰ উদাহৰণ দাঙি ধৰে। শ্ৰীমোদীয়ে কৃষিখণ্ডত লাভ কৰা গুৰুত্বপূৰ্ণ সাফল্যত আলোকপাত কৰি কয় যে খাদ্য শস্যৰ উৎপাদনৰ পৰিমাণ ৩৫ কোটি ৭০ লাখ টনলৈ বৃদ্ধি কৰি ভাৰতে অভিলেখ সৃষ্টি কৰিছে।

মাত্ৰ কেইদিনমানৰ পূৰ্বে ভাৰতে কমনৱেল্থ ক্ৰীড়া সমাৰোহৰ আয়োজক দেশ হিচাপে স্বীকৃতি লাভ কৰাৰ প্ৰসংগ উল্লেখ কৰি প্ৰধানমন্ত্ৰীয়ে কয় যে ক্ৰীড়া ক্ষেত্ৰতো দেশখনে উল্লেখনীয় অগ্ৰগতি লাভ কৰিছে।

**ৰাইট**

ভাৰতীয় নৌ সেনাত আই এন এছ্ মাহেৰ অন্তৰ্ভুক্তিক লৈ শ্ৰীমোদীয়ে কয় যে ভাৰতৰ পৰিবেশ তন্ত্ৰৰ সুৰক্ষা শক্তিশালী কৰি তোলাক লৈ প্ৰতিগৰাকী ভাৰতীয়ই গৌৰৱ অনুভৱ কৰে। শ্ৰীমোদীয়ে লগতে ভাৰতীয় মহাকাশ গৱেষণা প্ৰতিষ্ঠান ইছৰোৱে আয়োজন কৰা অনন্য ড্ৰোণ প্ৰতিযোগিতাৰ কথা উল্লেখ কৰি কয় যে এই প্ৰতিযোগিতাত বহুসংখ্যক যুৱক-যুৱতীয়ে অংশগ্ৰহণ কৰে আৰু এই যুৱচামৰ সমৰ্পনৰ মনোভাৱেই হৈছে বিকশিত ভাৰতৰ উল্লেখনীয় শক্তি।

প্ৰধানমন্ত্ৰীগৰাকীয়ে মন কী বাত অনুষ্ঠানক দেশৰ জনসাধাৰণৰ সফলতাসমূহ উদযাপন কৰা আৰু ভিন ভিন লোকৰ বিভিন্ন ক্ষেত্ৰত সফলতা তথা প্ৰচেষ্টাসমূহ জনসাধাৰণৰ মাজলৈ লৈ যোৱাৰ এখন আকৰ্ষণীয় মঞ্চ প্ৰকাশ কৰে।

০০০০০০

অসম চৰকাৰৰ সাংস্কৃতিক সঞ্চালকালয়ৰ পৃষ্ঠপোষকতাত সদৌ অসম দেউৰী ছাত্ৰ সন্থাৰ উদ্যোগত ডিব্ৰুগড় জিলাৰ কলৌলোৱা দেউৰী গাঁৱৰ উচ্চ মাধ্যমিক বিদ্যালয় খেলপথাৰত আজি ৭৮ সংখ্যক জননেতা ভীমবৰ দেউৰী দিৱস পালন কৰা হয়। অনুষ্ঠানত সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী বিমল বৰা, ভৈয়াম জনজাতি কল্যাণ বিভাগৰ মন্ত্ৰী ডাঃ ৰণোজ পেগু আৰু শিক্ষাবিদ ড০ উপেন ৰাভা হাকাচামকে ধৰি কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে। মন্ত্ৰী বিমল বৰাই তেওঁৰ ভাষণত অসমৰ খিলঞ্জীয়া জাতি-জনগোষ্ঠীসমূহৰ সৰ্বাঙ্গীন উন্নয়নৰ ক্ষেত্ৰত ভীমবৰ দেউৰীৰ অগ্ৰণী ভূমিকাৰ বিষয়ে উল্লেখ কৰে। তেওঁ কয় যে জনসাধাৰণক নিজৰ অধিকাৰ সন্দৰ্ভত সজাগ কৰি ভীমবৰ দেউৰীয়ে তেওঁলোকৰ সামাজিক উত্তৰণৰ পথ প্ৰশস্ত কৰি গ'ল। অতুলনীয় কৰ্মৰাজিৰে দেশ তথা সমাজৰ কল্যাণৰ হকে জননেতাগৰাকীয়ে আগবঢ়োৱা অৱদানে প্ৰতিটো প্ৰজন্মক অনুপ্ৰেৰণা যোগাই যাব বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে।

## বাইট

ধেমাজি জিলাতো আজি জননেতা ভীমবৰ দেউৰীৰ স্মৃতি দিৱস পালন কৰা হয়। ধেমাজি জিলা দেউৰী সাহিত্য সভা আৰু ধেমাজি নগৰ দেউৰী উন্নয়ন আৰু কল্যাণ সমিতিৰ উদ্যোগত দিনজোৰা কাৰ্যসূচীৰে এই দিৱস অনুষ্ঠিত হয়। জিলাখনৰ তেলিজানৰ ভীমবৰ দেউৰী স্মৃতি ভৱনত আয়োজিত এই কাৰ্যসূচীত জননেতাগৰাকীৰ জীৱন আৰু কৰ্মৰাজি সন্দৰ্ভত এখন আলোচনা চক্ৰ অনুষ্ঠিত হয়।

oooooo

ছটা জনগোষ্ঠীৰ জনজাতিকৰণ সন্দৰ্ভত মন্ত্ৰীগোটে কালি প্ৰতিবেদন দাখিল কৰাৰ পিছতে বিভিন্ন জনজাতীয় দলসংগঠন প্ৰতিবাদমুখৰ হৈ পৰিছে। আজি সদৌ অসম ট্ৰাইবেল সংঘৰ উদ্যোগত কেইবাটাও জনজাতীয় সংগঠনে মন্ত্ৰীগোটে দাখিল কৰা প্ৰতিবেদন দাহ কৰি প্ৰতিবাদ সাব্যস্ত কৰে। পলটনবজাৰত থকা জনজাতীয় জিৰণি চ'ৰাত প্ৰতিবেদন দাহ কৰি ট্ৰাইবেল সংঘৰ নেতা আদিত্য খাখলাৰীয়ে কয় যে ৰাজ্য চৰকাৰে গ্ৰহণ কৰা এই সিদ্ধান্তই জনজাতীয় লোকসকলক অধিক বঞ্চিত কৰিব। সামাজিক আৰু অৰ্থনৈতিক ক্ষেত্ৰত যথেষ্ট আগবাঢ়ি থকা তথা জনবহুল জনগোষ্ঠীসমূহক উপত্যকা জনজাতি হিচাপে স্বীকৃতি দি মন্ত্ৰীগোটে দাখিল কৰা প্ৰতিবেদন কোনো পৰিস্থিতিতেই মানি লোৱা নহ'ব বুলিও খাখলাৰীয়ে মন্তব্য কৰে। জনজাতীয় নেতাগৰাকীয়ে এসপ্তাহৰ ভিতৰত মুখ্যমন্ত্ৰী পৰ্যায়ত এখন উচ্চস্তৰীয় বৈঠক অনুষ্ঠিত কৰিবলৈ ৰাজ্য চৰকাৰক দাবী জনায়। এনে আলোচনা অনুষ্ঠিত নকৰিলে অধিক আন্দোলনৰ হুংকাৰ দি খাখলাৰীয়ে কয় যে, কাইলৈ সমগ্ৰ অসমতে ট্ৰাইবেল সংঘ আৰু জনজাতীয় সংগঠনসমূহৰ সমন্বয়ৰক্ষী সমিতিৰ উদ্যোগত সমগ্ৰ অসমতে মন্ত্ৰীগোটৰ প্ৰতিবেদন দাহ কৰা হ'ব। আজিৰ প্ৰতিবাদী কাৰ্যসূচীত নিখিল বড়ো ছাত্ৰ সন্থাৰ নেতা দীপেন বড়োকে ধৰি আন আন সংগঠনৰ নেতাকৰ্মী উপস্থিত থাকে।

কটন বিশ্ববিদ্যালয়ৰ জনজাতীয় সম্প্ৰদায়ৰ ছাত্ৰ-ছাত্ৰীসকলেও আজি সন্ধিয়ালৈ ছয় জনগোষ্ঠীৰ জনজাতিকৰণৰ বিৰুদ্ধে বিশ্ববিদ্যালয়ৰ সন্মুখত প্ৰতিবাদ সাব্যস্ত কৰে।

ইফালে, ছয় জনগোষ্ঠীৰ লোকসকলক জনজাতিৰ মৰ্যাদা প্ৰদানৰ ক্ষেত্ৰত ইউ পি পি এলে দলীয় স্থিতি স্পষ্ট নকৰাৰ পৰিপ্ৰেক্ষিতত কোচ ৰাজবংশীৰ বহুকেইগৰাকী নেতাই সমুহীয়াভাৱে দল ত্যাগ কৰে। আক্ৰাছুৰ প্ৰাক্তন সভাপতি তথা ইউ পি পি এলৰ কেন্দ্ৰীয় সম্পাদক অৰুণ কুমাৰ ৰায়, শীৰ্ষনেতা শ্ৰীবাস বৰ্মনকে ধৰি ২২ গৰাকী নেতাই সমুহীয়াভাৱে আজি দলৰ প্ৰাথমিক সদস্যৰ পৰা পদত্যাগ কৰে। চিৰাং জিলাৰ চিদলীত এখন সংবাদমেল সম্বোধন কৰি অৰুণ কুমাৰ ৰায়ে কয়, যে আক্ৰাছুকে ধৰি জনগোষ্ঠীটোৰ বিভিন্ন সংগঠনৰ আহ্বানমৰ্মে জাতীয় স্বাৰ্থক অগ্ৰাধিকাৰ দি পদত্যাগৰ সিদ্ধান্ত লোৱা হয়।

oooooo

স্বাধীনতা সংগ্ৰামৰ প্ৰথম ছহিদ পিয়লি ফুকনৰ বিষয়ে ৰাষ্ট্ৰীয় পৰ্যায়ত আলোচনাৰ বাট মুকলি কৰি আজি শিৱসাগৰত কেন্দ্ৰীয় মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটাই **ছহিদ পিয়লি ফুকন ঃ দ্যা চন অৱ চইল** শীৰ্ষক ইংৰাজী ভাষাত লিখি উলিওৱা গ্ৰন্থখন উন্মোচন কৰে। শিৱসাগৰ নগৰৰ যুৱদল প্ৰেক্ষাগৃহত আয়োজিত এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত গ্ৰন্থখন উন্মোচন কৰি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয়, যে গ্ৰন্থখনে ৰাষ্ট্ৰীয় পৰ্যায়ত পিয়লি ফুকন সন্দৰ্ভত নতুন আলোচনাৰ বাট মুকলি কৰিলে। এই গৱেষণামূলক গ্ৰন্থখনৰ আধাৰতে দিল্লী বিশ্ববিদ্যালয় আৰু

জৱহৰলাল নেহৰু বিশ্ববিদ্যালয়ত শীঘ্ৰে ছহিদগৰাকী জীৱনক লৈ বিশেষ আলোচনা অনুষ্ঠিত কৰা হ'ব বুলিও আয়োজক সমিতিয়ে জানিবলৈ দিছে। অনুষ্ঠানত অংশগ্ৰহণ কৰি বিশিষ্ট সাহিত্যিক, ঔপন্যাসিক ৰীতা চৌধুৰীয়ে কয় যে এই প্ৰয়াসে ছহিদগৰাকীক ৰাষ্ট্ৰীয় পৰ্যায়ত চিনাকী কৰি দিয়াত সহায় কৰিব।

**বাইট**

উল্লেখযোগ্য যে এই অনুষ্ঠানতে ব্ৰিটিছ্ উপনিৱেশ বিৰোধী সংগ্ৰাম আৰু ছহিদ পিয়লি ফুকন শীৰ্ষক এক মনোগ্ৰাহী আলোচনাও অনুষ্ঠিত হয়। ভাৰতৰ স্বাধীনতা সংগ্ৰামৰ প্ৰথমগৰাকী ছহিদ মংগল পাণ্ডে নে পিয়লি ফুকন, এই লৈ বিশদভাৱে আলোচনা কৰা হয়। টাই ভাষাৰ বিশিষ্ট পণ্ডিত পুস্প গগৈ, শিক্ষাবিদ দয়ানন্দ বৰগোহাই, মাজুলী সাংস্কৃতিক বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° নিৰোদ বৰুৱাকে ধৰি অনুষ্ঠানত কেইবাগৰাকীও শিক্ষাবিদ-বুৰঞ্জিবিদে অংশগ্ৰহণ কৰে।

০০০০০০

সমাগত ৰাজ্য বিধান সভা নিৰ্বাচনৰ প্ৰতি লক্ষ্য ৰাখি আকাশবাণীৰ সঞ্চালক প্ৰধানৰ নিৰ্দেশ মৰ্মে কাইলৈৰ পৰা আকাশবাণী গুৱাহাটী যোগে প্ৰচাৰিত বাতৰি আৰু বাতৰি বিভাগৰ কেতবোৰ অনুষ্ঠানৰ সময়ৰ কিছু সালসলনি কৰা হৈছে। এই অনুসৰি দিনৰ ১১ বজাত প্ৰচাৰিত মুখ্য বাতৰি পাঁচ মিনিটৰ বাতৰি বুলেটিন হিচাপে প্ৰচাৰ কৰা হ'ব। দিনৰ ১২ বাজি পাঁচ মিনিটত প্ৰচাৰ কৰা বাতৰিৰ সময় ১০ মিনিটলৈ বৃদ্ধি কৰা হৈছে। একেদৰে তিনি বজাৰ মুখ্য বাতৰিৰ পৰিৱৰ্তে পাঁচ মিনিটৰ বুলেটিন প্ৰচাৰৰ ব্যৱস্থা কৰা হৈছে। সন্ধিয়া ছয় বজাৰ বাতৰি এতিয়া পাঁচ মিনিটৰ পৰিৱৰ্তে ১০ মিনিটৰ বাবে প্ৰচাৰ কৰা হ'ব। প্ৰতি মঙলবাৰে এক বাজি ২০ মিনিটত প্ৰচাৰ কৰা প্ৰাসংগিকৰ উপৰি প্ৰতিদিনে বিয়লি তিনি বাজি পাঁচ মিনিটৰ পৰা তিনি বাজি ১৫ মিনিটলৈ প্ৰাসংগিক প্ৰচাৰ কৰা হ'ব। অনুষ্ঠানটো প্ৰতিনিশা ৯ বাজি ১৫ মিনিটৰ পৰা ৯ বাজি ২৫ মিনিটলৈ পুনৰ প্ৰচাৰ কৰা হ'ব। ইপিনে প্ৰতি সোমবাৰে প্ৰচাৰিত ক্ৰীড়া বাৰ্তাৰ সময়ত পাঁচ মিনিট হ্ৰাস কৰা হৈছে। এই অনুসৰি অহা সোমবাৰৰ পৰা সন্ধিয়া ৬ বাজি ৪০ মিনিটৰ পৰা ৬ বাজি ৪৫ মিনিটলৈ ক্ৰীড়া বাৰ্তা প্ৰচাৰ কৰা হ'ব।

০০০০০০

আকাশবাণী গুৱাহাটীৰ ৰিক্ৰিয়েচন ক্লাবৰ উদ্যোগত আজি আকাশবাণী গুৱাহাটীৰ চৌহদৰ খেলপথাৰত আয়োজিত এটা বৰ্ণাঢ্য অনুষ্ঠানত সুধাকণ্ঠ ভূপেন হাজৰিকা আৰু ৰাইজৰ হিয়াৰ আমঠু জুবিন গাৰ্গৰ গীত সমূহীয়াভাৱে পৰিৱেশন কৰা হয়। এই অনুষ্ঠানত আকাশবাণী চৌহদৰ বাসিন্দাসকলৰ লগতে বহু কেইগৰাকী আমন্ত্ৰিত শিল্পীয়ে দুয়োগৰাকী শিল্পীৰ গীত পৰিৱেশন কৰে।

০০০০০০

সমাগত বিধানসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত ৰাজনৈতিক দলসমূহৰ মাজত বিশেষ তৎপৰতা পৰিলক্ষিত হৈছে। বিশেষকৈ শাসকীয় দল বিজেপি আৰু প্ৰধান বিৰোধী দল কংগ্ৰেছে আজি পৃথকে পৃথকে নিৰ্বাচনক লৈ বিশেষ বৈঠকৰ আয়োজন কৰে। ৰাজীৱ ভৱনত আজি বিয়লি কংগ্ৰেছৰ প্ৰচাৰ সমিতিৰ এখন বিশেষ বৈঠক অনুষ্ঠিত হয়। এই বৈঠকত নিৰ্বাচনৰ বাবে ৫ খন উপ সমিতি গঠন কৰা হয়। এই সমিতিসমূহে নিৰ্বাচনত কেনেদৰে প্ৰচাৰ চলাব সেই সন্দৰ্ভত বিশদভাৱে আলোচনা কৰা হয়। বিশেষকৈ বাতৰি কাকত, টিভি আদিত

বিজ্ঞাপন দিয়া আৰু হৰ্ডিং তথা চোছিয়েল মিডিয়াত প্ৰচাৰ চলোৱাক লৈ প্ৰদেশ কংগ্ৰেছৰ শীৰ্ষ নেতৃত্ব আলোচনাত মিলিত হয়। ইফালে বশিষ্ঠত থকা বাজপেয়ী ভৱনতো বিজেপিৰ দলীয় বৈঠক অনুষ্ঠিত হৈছে। এই বৈঠকত দলৰ সকলো মন্ত্ৰী বিধায়ক তথা সাংসদ উপস্থিত থাকে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কিছুসময়ৰ পিছতে এই বৈঠকত অংশগ্ৰহণ কৰাৰ কথা।

oooooo

ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজত ৰাঁচীত অনুষ্ঠিত  এদিনীয়া আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট প্ৰতিযোগিতাত আজি ভাৰতে দক্ষিণ আফ্ৰিকাক  জয়ৰ বাবে ৩৫০ ৰাণৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে। ভাৰতে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ৫০ অভাৰত ৮ উইকেটৰ বিনিময়ত ৩৪৯ ৰাণ সংগ্ৰহ কৰে। দলৰ হৈ বিৰাট কোহলীয়ে সৰ্বাধিক ১৩৫ ৰাণ কৰে। কে এল ৰাহুলে ৬০ আৰু ৰোহিত শৰ্মাই ৫৭ ৰাণৰ বৰঙণি আগবঢ়ায়। দক্ষিণ আফ্ৰিকাৰ মাৰ্কো জেনছেন, নাণ্ড্ৰে বাৰ্গাৰ, কৰ্বিন বস্ক আৰু অ'টনিল বাৰ্টমেনে দুটাকৈ উইকেট লাভ কৰে। আমালৈ বাতৰি অহাৰ পৰলৈকে দক্ষিণ আফ্ৰিকাই ১০ অভাৰত ৩টা উইকেট হেৰুৱাই ৪৭ ৰাণ সংগ্ৰহ কৰিছে।

oooooo

সমাপ্ত